# দীৰ্ঘ ক'ভিড কি?

World PT Day 2021

সংকেত আৰু লক্ষণৰ উপস্থিতিত দীৰ্ঘ ক'ভিডক প্ৰাৰম্ভিক ৰূপত পৰিভাষিত কৰা হৈছে। যিটো অনুৰূপ সংক্ৰমণৰ সময়ত বা তাৰ পিছত বিকশিত হয় আৰু ই ১২ সপ্তাহ বা তাতোকৈ অধিক সময় থাকে।

সাধাৰণতে, ই যদি ৪ সপ্তাহলৈ থাকে তেন্তে ইয়াক হ্ৰস্বম্যাদী ক'ভিড-১৯ আৰু ৪ ৰ পৰা ১২ সপ্তাহৰ সময়ছোৱাক চলন্ত ক'ভিড-১৯ ৰ ৰূপত ধৰা হৈছে।

**দীৰ্ঘ ক'ভিড সচৰাচৰ কিমান দেখা যায়?**

**১০ ৰ ভিতৰত ১ জনৰ**

ক্ষেত্ৰত লক্ষণসমূহ ১২ সপ্তাহ বা তাতোকৈ অধিক সময়লৈ থাকিব পাৰে।

এই বেমাৰৰ ক্ষেত্ৰত ভূগি থকা বহুতো লোক আগতে সুস্থ আৰু সবল হৈ আছিল।

শিশু সকলৰ ক্ষেত্ৰত দীৰ্ঘ ক'ভিড, বয়োজেষ্ঠ্য সকলৰ দৰেই প্ৰায় সমান।

দীৰ্ঘ ক'ভিডে সেই সকলক প্ৰভাৱিত কৰিছে, যিসকলে হ্ৰস্বম্যাদী ক'ভিডত আক্ৰান্ত হৈ হাস্পতালত ভৰ্তি হৈ আছে বা ঘৰতেই সুস্থ হৈছে। যিবোৰ ব্যক্তিয়ে ক'ভিড-১৯ ৰ হ্ৰস্বৰূপ বা গম্ভীৰ অনুভৱ কৰিছে, সিহতঁৰ ক্ষেত্ৰত লক্ষণসমূহ দীৰ্ঘ সময়লৈ থাকিব পাৰে, অথবা দীৰ্ঘ সময়লৈ বিকশিত হ'ব পাৰে।

দীৰ্ঘ ক'ভিড হৈছে বহু-পদ্ধতিযুক্ত ৰোগ, ইয়াতে ২০০ৰো অধিক তথ্য-বদ্ধ লক্ষণ অন্তৰ্নিহিত হৈ আছে, যিবোৰ পৰিৱৰ্তনশীল আৰু অনুমানিত বা অপ্ৰত্যাশিত ভাৱত লক্ষণ সমূহ উঠা নমা হৈ থাকে।

৬ মাহৰ পাছৰ সাধাৰণ লক্ষণসমূহ হ'লঃ

- অত্যাধিক ভাগৰ
- পৰিশ্ৰমৰ অন্তিত লক্ষণৰ মাত্ৰা বৃদ্ধি
- স্মৃতিশক্তি আৰু মনোযোগত অসুবিধা (ব্ৰেইন ফ'গ)

**অন্য লক্ষণসমূহ যেনেঃ**

- উশাহ চুটি
- বুকুৰ বিষ
- শোৱাত অসুবিধা (ইনচ'মনিয়া)
- হৃদস্পন্দন
- মূৰ ঘূৰণি
- মাংসপেশীৰ বিষ
- গাঁঠিৰ বিষ
- হতাশা আৰু চিন্তা
- টিনিটাচ্,কাণৰ বিষ
- জ্বৰ অনুভৱ, ডায়েৰিয়া, পেটৰ বিষ, ভোক নলগা
- অত্যাধিক উষ্ণতা যুক্ত জ্বৰ, কাহ, মূৰৰ বিষ, ডিঙিৰ সুৰসুৰনি, সোৱাদহীন আৰু গোন্ধহীন
- চৰ্মৰোগ

আন্তঃৰাষ্ট্ৰীয় স্তৰত দীৰ্ঘ ক'ভিডৰ সহমত পৰিভাষা এতিয়ালৈ দিয়া হোৱা নাই। যাহওঁক, দীৰ্ঘ ক'ভিড উভয়ে সাধাৰণ বা দুৰ্বল কৰে বুলি প্ৰমাণিত হৈছে। উল্লেখযোগ্য অক্ষমতাৰ সৈতে বহু-পদ্ধতিযুক্ত হিচাবে দীৰ্ঘ ক'ভিডক চিহ্নিত কৰা হৈছে।

World Physiotherapy
www.world.physio/wptday